# এন আৰ চি পৰীক্ষণকাৰী বিষয়া/এন এছ কেত অতিৰিক্ত নথিপত্ৰ আৰু পৰিয়ালৰ বংশবৃক্ষ ফৰ্ম জমা দিয়াৰ অন্তিম তাৰিখ ৩১ মাৰ্চ, ২০১৬ লৈ বঢ়াই দিয়া হৈছে

NRC
NATIONAL REGISTER OF CITIZENS

## তাৰ পিছত কোনো নথিপত্ৰ গ্ৰহণ কৰা নহয়

**আবেদনকাৰীয়ে ৩১ মাৰ্চ, ২০১৬ লৈকে জমা দিয়া নথিপত্ৰৰ ওপৰত ভিত্তি কৰি আবেদনকাৰীৰ নাম এন আৰ চিত অন্তৰ্ভূক্ত নাইবা বাতিল কৰাৰ যোগ্যতা নিৰূপণ কৰা হ'ব**

**নিম্নলিখিত কাৰণসমূহৰ বাবে আবেদনকাৰীয়ে অতিৰিক্ত নথিপত্ৰ জমা দিব লাগিব ঃ**

- যদি কোনো আবেদনকাৰীয়ে কোনো কাৰণত আবেদনপত্ৰ জমা দিয়াৰ সময়ত কোনো প্ৰয়োজনীয় নথিপত্ৰ দিব পৰা নাছিল।
- যদি কোনো আবেদনকাৰীয়ে ভুলক্ৰমে নিজৰ লিগেচি ব্যক্তিৰ সৈতে একে নামৰ অন্য ব্যক্তিৰ লিগেচি ডাটা আবেদনপত্ৰৰ লগত জমা দিছিল তেনেক্ষেত্ৰত শুদ্ধ লিগেচি ডাটা শ্লিপ অতিৰিক্ত নথিপত্ৰ হিচাবে জমা দিব পাৰে।
- যদি কোনো আবেদনকাৰীয়ে আবেদনপত্ৰৰ লগত জমা দিয়া নথিপত্ৰৰ উপৰিও অন্য কোনো অতিৰিক্ত নথি জমা দিব বিচাৰে যি এন আৰ চিত নাম অন্তৰ্ভূক্ত কৰিবলৈ সহায়ক হয়।
- যদি কোনো আবেদনকাৰীয়ে আবেদনপত্ৰৰ লগত জমা দিয়া নথিপত্ৰ অস্পষ্ট/পঢ়িব নোৱাৰা হয় তেন্তে পৰীক্ষণকাৰী দলে সেই নথিৰ স্পষ্ট প্ৰতিলিপি বিচাৰিব পাৰে যাতে সেই নথি গ্ৰহণযোগ্য হয়।
- যদি কোনো আবেদনকাৰীয়ে এন আৰ চিত অন্তৰ্ভূক্তিৰ বাবে যোগ্যতা সম্পৰ্কীয় সম্পূৰ্ণ নথিপত্ৰ জমা দিয়া নাছিল তেনেক্ষেত্ৰত পৰীক্ষণকাৰী দলে এন আৰ চিত অন্তৰ্ভূক্তিৰ বাবে প্ৰয়োজনীয় নথিপত্ৰ বিচাৰিব পাৰে।

***বংশবৃক্ষ ফৰ্ম জমা দিয়াৰ সময়ত মন কৰিবলগীয়া ঃ***

- বংশবৃক্ষ হ'ল এটা পৰিয়ালৰ বিভিন্ন প্ৰজন্মৰ ব্যক্তিবিশেষৰ পূৰ্বপুৰুষ, পিতৃ-মাতৃ, খুড়া-খুড়ী, ভাই-ভনী আৰু সম্বন্ধীয় ভাই-ভনীসকলৰ নাম সমৃদ্ধ তথ্য।
- পৰীক্ষণকাৰী দল ঘৰে ঘৰে গৈ পৰীক্ষণ কৰাৰ সময়তে এই বংশবৃক্ষ ফৰ্ম সংগ্ৰহ কৰিছিল। যদি কোনো পৰিয়ালে এতিয়ালৈকে বংশবৃক্ষ ফৰ্ম পৰীক্ষণকাৰী দলক জমা দিয়া নাই, তেন্তে তেওঁলোকক অনতিপলমে নিৰ্দ্ধাৰিত এন আৰ চি সেৱাকেন্দ্ৰত জমা দিবলৈ অনুৰোধ জনোৱা হ'ল।
- নিৰ্দ্ধাৰিত সেৱা কেন্দ্ৰ হ'ল সেই কেন্দ্ৰ য'ত আবেদনকাৰীয়ে এনআৰচি আবেদনপত্ৰ জমা দিছিল। অনলাইনযোগে আবেনপত্ৰ জমা দিয়াৰ ক্ষেত্ৰত আবেদনকাৰীয়ে আমাৰ ৱেবচাইট (হোমপেজত থকা "Know your NSK"ত চাওঁক)ৰ পৰা নিজৰ নিৰ্দ্ধাৰিত এনআৰচি সেৱাকেন্দ্ৰটোৰ বিষয়ে জানিব পাৰিব।
- এইটো মন কৰিবলগীয়া যে বংশবৃক্ষ ফৰ্ম অনলাইনযোগে জমা দিয়াৰ কোনো ব্যৱস্থা নাই। বংশবৃক্ষ ফৰ্ম কেৱল ঘৰে ঘৰে যোৱা পৰীক্ষণকাৰী দলৰ হাতত বা এন আৰ চি সেৱা কেন্দ্ৰতহে জমা দিব লাগিব।
- জনসাধাৰণে বংশবৃক্ষ ফৰ্ম যিকোনো এন আৰ চি সেৱা কেন্দ্ৰৰ পৰা সংগ্ৰহ কৰিব পাৰে নাইবা আমাৰ ৱেবচাইটৰ পৰা ডাউনলোড কৰিব পাৰে।

***অতিৰিক্ত নথিপত্ৰ আৰু বংশবৃক্ষৰ ফৰ্ম ৩১ মাৰ্চ, ২০১৬ৰ আগতে পৰীক্ষণকাৰী দলৰ সদস্যৰ হাতত অথবা নিৰ্দ্ধাৰিত এনআৰচি সেৱা কেন্দ্ৰত জমা দিব লাগিব***

**অনলাইনযোগে আবেদনকাৰীসকলে "KNOW YOUR APPLICATION RECEIPT NUMBER (ARN)" ৰ সুবিধাৰ বিষয়ে জানিবলৈ মন কৰিব ঃ**

অনলাইনযোগে আবেদন কৰা আবেদনকাৰীয়ে যদি তেওঁলোকৰ আবেদনপত্ৰ ৰিচিপ্ট নম্বৰ (এ আৰ আন) হেৰুৱাইছে তেন্তে তেওঁলোকে আমাৰ বিনামূলীয়া হেল্পলাইন নম্বৰ **15107** (অসমৰ ভিতৰত) অথবা **18003453762** (অসমৰ বাহিৰৰ পৰা )ত ফোনযোগে তেওঁলোকৰ এ আৰ এন নম্বৰ জানি ল'ব পাৰিব। ইয়াৰ বাবে আবেদনকাৰীয়ে নিম্নলিখিত যিকোনো এটা তথ্য দিব লাগিব ঃ

পৰিয়ালৰ মূৰব্বীৰ নাম

**নাইবা**

অনলাইনযোগে আবেদনপত্ৰ জমা দিয়াৰ সময়ত পঞ্জীকৃত কৰা ফোন নম্বৰ।

***নিৰপেক্ষ পৰীক্ষণ প্ৰক্ৰিয়াৰ দ্বাৰা এখন শুদ্ধ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী প্ৰকাশ কৰি উলিয়াবলৈ আমি দায়বদ্ধ।***
***সেয়েহে, বংশবৃক্ষৰ ফৰ্ম সকলো আবেদনকাৰীৰে প্ৰয়োজনীয়।***
***ইয়াৰ দ্বাৰা আমি দোহাৰিছোঁ যে, উন্নীতকৃত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত কোনো বিদেশীৰ নাম অন্তৰ্ভূক্ত নহ'ব আৰু কোনো প্ৰকৃত ভাৰতীয়ৰ নাম বাদ নপৰিব।***

| বিশদভাৱে জানিবলৈ আৰু সহায়ৰ বাবে | আমাৰ বিনামূলীয়া হেল্পলাইন নম্বৰ<br>15107 (অসমৰ বাবে) 18003453762 (অসমৰ বাহিৰৰ বাবে) | আমাৰ ৱেবচাইট<br>www.nrcassam.nic.in | ৰাজ্যিক সমন্বয়ক, ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীয়ন, অসমৰ দ্বাৰা জনহিতাৰ্থে প্ৰচাৰিত। |
|---|---|---|---|

nrcassam @NRCupdateAssam ত আমাক অনুসৰণ কৰক

Exclusive/NRC/03-2016/31